# ECHO OF HIS CALL

## যীচু খ্ৰীষ্টৰ আহ্বানৰ প্ৰতিধ্বনি ASSAMESE

ECHO OF HIS CALL 1969-2019 GOLDEN JUBILEE

*India's National Spiritual Newspaper*

₹ 10/-

Published monthly in ENGLISH, TAMIL, MALAYALAM, TELUGU, HINDI, KANNADA, MARATHI, BENGALI, GUJARATI, ODIA, ASSAMESE, PUNJABI, NEPALI, URDU, SINHALA & AFRIKAANS

**Editor : S. SAM SELVA RAJ** | **16 Languages** | **Associate Editor : Sis. Bornali Thapa Raj**

VOL.XX YEAR OF OUR LORD JESUS CHRIST, 2020 JANUARY No: 10

### Holy Bible

*PSALM 71:1-8*

### পবিত্ৰ বাইবেল

**এই অংশটি অনুগ্ৰহ কৰি মুখস্থ কৰক!**

**প্ৰভুৰ প্ৰশংসা হওঁক!**

**মাৰ্ক ১ঃ১-৮**

১। হে যিহোৱা, মই তোমাতহে আশ্ৰয় লৈছো, মোক কেতিয়াও বঞ্চিত হ'বলৈ নিদিবা।

২। তোমাৰ ধাৰ্মিকতাৰ গুণেৰে মোক ত্ৰাণ কৰা, মোক ৰক্ষা কৰা, মোলৈ কাণ পাতা আৰু মোক উদ্ধাৰ কৰা।

৩। যি শিলালৈ মই নিতৌ যাব পাৰো, মোৰ অৰ্থে তুমি এনে বসতিৰ শিলা হোৱা, তুমি মোক পৰিত্ৰাণ কৰিবলৈ আজ্ঞা দিলা, কিয়নো তুমি মোৰ শিলা আৰু মোৰ কোঠ।

৪। হে মোৰ ঈশ্বৰ, দুষ্টৰ হাতৰ পৰা মোক উদ্ধাৰ কৰা, অধম আৰু নিষ্ঠুৰজনৰ হাতৰ পৰা মোক মুক্ত কৰা।

৫। কিয়নো হে প্ৰভু যিহোৱা, তুমি মোৰ আশা, সৰু কালৰে পৰা তুমি মোৰ বিশ্বাস ভূমি।

৬। গৰ্ভৰে পৰা মই তোমাতেই নিৰ্ভৰ কৰিছো; মোক মাতৃ গৰ্ভৰ পৰা উলিওৱা জনা তুমিয়েই; মই নিতৌ তোমাৰেই প্ৰশংসা কৰিম।

৭। মই অনেকৰ দৃষ্টিত আচৰিতৰ বিষয় যেন হৈছো, কিন্তু তুমি মোৰ দৃঢ় আশ্ৰয়।

৮। গোটেইদিন মোৰ মুখে তোমাৰেই প্ৰশংসা আৰু গৌৰৱ কৰক।

# বিশ্বাসীসকলৰ বাবে, যেতিয়া তেওঁলোকে প্ৰাৰ্থনা কৰে!

# FOR BELIEVERS, WHEN THEY PRAY!

**পালক নিক স্মিথ**

আমি বিশ্বাসীসকলৰ বাবে প্ৰাৰ্থনা কৰাটো এটা ডাঙৰ সুযোগ। কিন্তু ইয়াত এটা ডাঙৰ দায়িত্বও আছে। যেতিয়া আমি আচৰিত কৰ্মৰ দ্বাৰাই ৰোগ-আৰোগ্য হোৱাৰ পৰিৱেশ সৃষ্টি কৰো, তেতিয়া পৰিচৰ্যাৰ সোঁতটো ভালকৈ চলি যায়। যদি আমি এই পৰিচৰ্যাক সক্ৰিয় হৈ থকা চাব বিচাৰো তেন্তে আমি তিনিটা গুণক ব্যৱহাৰ কৰিব লাগিব ঃ

(১) ঈশ্বৰৰ ইচ্ছাক পালন কৰিবলৈ হ'লে তেওঁৰ সমৰ্থতাত আৰু তেওঁত সম্পূৰ্ণ বিশ্বাস কৰিব লাগে।

(২) এই পৰিচৰ্যা কাৰ্যত পৰিণত হোৱা চাব লাগিব। যেতিয়া তেওঁলোকে একেলগে পৰিচৰ্যা কৰে, তেওঁলোকে ইজনে-সিজনক সন্মান কৰিব লাগে আৰু সম্পূৰ্ণ সাদৃশ্য থাকিব লাগে। আৰু যেতিয়া আমি ইজনে-সিজনৰ বাবে প্ৰাৰ্থনা কৰিম তেতিয়া আমাৰ একতা আৰু আৰোগ্য প্ৰভাৱশীল হ'ব।

(৩) আৰাধনাৰ এটা জীৱন ধাৰা হ'ব লাগিব। দেওবৰীয়া উপাসনাৰ কথা কোৱা নাই, কিন্তু এনে আৰাধনাৰ কথা কৈছো যি আৰাধনা আপোনাৰ জীৱনৰ প্ৰত্যেক প্ৰান্তত দেখা দিব লাগিব। আমি আমাৰ আৰাধনাৰ সৈতে ঈশ্বৰক সমাদৰ কৰিব লাগিব।

যেতিয়া এই তিনিটা গুণ কাৰ্যত পৰিণত হয়, তেতিয়া আৰোগ্য, বিশ্বাস আৰু প্ৰাৰ্থনাই জীৱনৰ পথত এনে ফল দিব, আৰু ঈশ্বৰৰ কাৰ্য আৰু তেওঁৰ পৰিচালনা মুকলিকৈ হ'ব। ৭৫%ৰ মানুহে মধ্যস্থতা প্ৰাৰ্থনাৰ সৰু দলৰ পৰা আৰোগ্য লাভ কৰে। মই বিশ্বাস কৰা মতে ইয়াৰ কাৰণটো হৈছে যে প্ৰকৃত পালকীয় আৰু যত্নৱান পৰিচৰ্যাই এনে প্ৰাৰ্থনা সভাবোৰত হাতত ল'ব পৰা যাব আৰু গতিকে আনকি আটাইতকৈ গভীৰ প্ৰয়োজনবোৰৰ সৈতে এইবোৰে সহায় কৰিব। ইয়াত প্ৰেৰণাৰ দানবোৰে আৰু দয়াই মূল্যৱান হৈ যায়। যেতিয়া এজন ব্যক্তিয়ে এই বৰদানবোৰৰ সৈতে সক্ৰিয় হৈ যায়, তেতিয়া সেই ব্যক্তিজনক শান্ত্বনা দিয়াৰ, বুজাই দিয়া, উৎসাহ আৰু পৰামৰ্শ দিয়াৰ এটা প্ৰকৃত দায়িত্ব আহি যায়। তেওঁলোকে তেওঁবিলাকক সহানুভূতিশীল প্ৰেমক ব্যৱহাৰিক দেখুৱাবলৈ এটা সম্পৰ্ক পাবলৈ বিচাৰে। প্ৰায় সময়ত এজন ব্যক্তিক ঈশ্বৰে কি কৈ আছে তাক জনাবলৈ হ'লে, তেওঁৰ কথা মন দি শুনিলেই তেওঁক বুজাবলৈ যথেষ্ট সহায় হ'ব। এটি সহানুভূতিশীল বোধশক্তিয়ে আপুনি তেওঁলোকক যত্ন লোৱা আৰু হৃদয়ত তেওঁলোকৰ বাবে কল্যাণৰ

*৩ পৃষ্ঠাত চাওঁক*

## শিক্ষাৰ দ্বাৰা জীৱনবিলাকৰ স্পৰ্শ...১৯৬৯ ৰ পৰা

# তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি

ইংৰাজী, তামিল, মালায়ালাম, তেলুগু, হিন্দী, মাৰাঠী, কানাড়, বেংগলী, গুজৰাট, উৰিয়া, নেপালী, অসমীয়া, পঞ্জাৱী, উৰ্দ্দু, সিংহলী আৰু আফ্ৰিকান (মাহেকীয়া আলোচনী)

ECHO OF HIS CALL 1969-2019 GOLDEN JUBILEE

**"তুমি তোমাৰ মংগলেৰে বছৰটো ভূষিত কৰিলা..." (গীতমালা ৬৫ঃ১১)**



এই ২০২০ নৱবৰ্ষৰ গোটেই বছৰটোত ঈশ্বৰৰ শান্তি আপোনালোকৰ সৈতে থাওক।

প্ৰভু যীচু খ্ৰীষ্টত মোৰ প্ৰিয় ভাই আৰু ভনীসকল,

প্ৰভু যীচু খ্ৰীষ্টৰ শান্তি আৰু অনুগ্ৰহ আপোনালোকলৈ জনালোঁ হয়, এই ঐতিহাসিক গুৰুত্বপূৰ্ণ বৰদিন আৰু ২০২০ নৱবৰ্ষৰ সময়ত আমি ইজনে সিজনক শুভেচ্ছা জনাবলৈ পোৱাত আপোনাৰ আৰু মোৰ বাবে এক প্ৰকৃত আশীৰ্বাদৰ বিষয়ঙ্গ প্ৰভু যীচু খ্ৰীষ্টই এই নৱবৰ্ষতো জীয়াই থাকিবলৈ অনুগ্ৰহেৰে আমাৰ জীৱনক বৃদ্ধি কৰিলে গতিকে আমি আমাৰ জীৱনত তেওঁক বিচাৰিবলৈ তেওঁৰ বাবে জীয়াই থাকিবলৈ আৰু তেওঁৰ ইচ্ছাক পূৰ্ণ কৰিবলৈ আমি এক চুড়ান্ত সিদ্ধান্ত কৰিব লাগে। ইজ্ৰা ৮ঃ২২ পদত বাক্যই এইদৰে কয়, "আমাৰ ঈশ্বৰৰ হাত কুশলৰ নিমিত্তে, তেওঁক সেৱাভক্তি কৰোঁতা আটাইবিলাকৰ ওপৰত থাকে"। ঠিক একেদৰে প্ৰতিদিনে আমাৰ জীৱনত তেওঁৰ ইচ্ছাক পাবলৈ আমি জাগি থাকিব লাগিব আৰু তেওঁ আমাক চলাবলৈ আমি তেওঁত সম্পূৰ্ণভাৱে শোধাই দিব লাগে। "তোমাৰ সকলো কাৰ্যত তেওঁক স্বীকাৰ কৰা তাতে তেওঁ তোমাক পথবোৰ সমান কৰিব" হিতোপদেশ ৩ঃ৬।

মোৰ সম্পৰ্কে ক'বলৈ গ'লে প্ৰতি ৰাতিপুৱাতে উঠি মই প্ৰভু আৰু ত্ৰাণকৰ্তা যীচু খ্ৰীষ্টৰ আগত আঁঠু লৈ ধন্যবাদ যুক্ত হৃদয়েৰে মোৰ সকলো অসমৰ্থবোৰক স্বীকাৰ কৰো আৰু প্ৰাৰ্থনাত এইদৰে কওঁ ঃ "হে মোৰ প্ৰভু আৰু ঈশ্বৰ যীচু খ্ৰীষ্ট মই এটা কথা জানো আৰু সেইটোৱেই হৈছে তুমি কোনোবা এজনক বিচাৰি পাবা (যিৰিমিয়া ৩২ঃ১৯), যিজনে তোমাৰ হৃদয়ৰ বিষয়ে জানিব আৰু তোমাৰ ইচ্ছাক এশ শতাংশ পূৰ্ণ কৰিব (যিচয়া ৬ঃ৮)। হয় ঈশ্বৰ মই ইয়াত আছো, মোক আজি ব্যৱহাৰ কৰা, তুমি যিহকে বিচৰা তাকেই মই কৰিবলৈ ইচ্ছা কৰিছো; তোমাৰ অনুগ্ৰহক মোক দিয়া, অনুগ্ৰহ কৰি মোক তোমাৰ বিধানৰ পৰা আঁতৰি যাব নিদিবা (গীতমালা ১১৯ঃ১৯) মই মোত দুৰ্বল হৈ আছো। গতিকে আজিয়েই তুমি মোক তোমাৰ বহুমূলীয়া তেজেৰে পুনৰ সৃষ্টি কৰা।" আমাৰ প্ৰভু ঈশ্বৰ হৈছে প্ৰাৰ্থনাৰ উত্তৰ দিওতা ঈশ্বৰ, মোৰ শাৰীৰিক দুৰ্বলতা, মানুহৰ সহায়, আৰ্থিক সহায়, সামাজিক সহায় ইত্যাদিৰ অভাৱৰ মাজতে তেওঁ মোৰ আৰু সকলো প্ৰয়োজনীয় বস্তুৰ যত্ন লয় আৰু প্ৰাৰ্থনাৰ উত্তৰ দিয়ে। মোৰ জীৱনৰ প্ৰতিটো প্ৰান্তত তেওঁৰ অনুগ্ৰহ জুৰি আছে আৰু প্ৰতিজ্ঞা কৰাৰ দৰে প্ৰত্যেক দিনাই তেওঁৰ অনুগ্ৰহ জুৰি আছে। "মোৰ যি অনুগ্ৰহ, সেয়ে তোমালৈ জুৰিব" (২ কৰিন্থীয়া ১২ঃ৯)।

মোৰ প্ৰিয় ভাই আৰু ভনীসকল, সৰ্বশক্তিমান ঈশ্বৰ যীচু খ্ৰীষ্টৰ এই উৎসাহজনক বাক্যবোৰে আজি আৰু আপোনাৰ ভৱিষ্যতৰ প্ৰত্যেক দিনাই আপোনাক সহায় কৰিব। আপুনি আপোনাৰ জীৱনত নানা ধৰণৰ আচৰিত কৰ্ম্ম দেখিব (মীখা ৭ঃ১৫)।

অনুগ্ৰহ কৰি মনত ৰাখিব যে, বহুত কঠোৰ পৰিশ্ৰমৰ সৈতে আমি প্ৰতিমাহে তেওঁৰ আহবানৰ প্ৰতিধ্বনি আলোচনীখন প্ৰতিমাহে ১৬ টা ভাষাত প্ৰকাশ কৰো। আপোনাৰ দৰে আৰু আন আন আমাৰ প্ৰিয়জনলৈ পঠিয়াই দিওঁ আৰু আশা কৰো আপোনাৰ জীৱন। প্ৰতিদিনা ইয়াৰ দ্বাৰাই পৰিৱৰ্তন ঘটিব, কিয়নো এই আলোচনীখনত প্ৰতিমাহে স্বৰ্গীয় বাৰ্তা আৰু প্ৰাৰ্থনাৰ বিষয়সমূহ দিয়া হয়। গতিকে আপুনি আমাৰ তেওঁৰ আহবানৰ প্ৰতিধ্বনি পৰিয়ালৰ নিচেই কাষত লাগি আছে। গতিকে মই ব্যক্তিগতভাবে গোটেই পৃথিৱীৰ প্ৰাৰ্থনাৰ অংশীদাৰীসকলৰ সৈতে আপোনাৰ বাবে প্ৰাৰ্থনা কৰিবলৈ দায়িত্ব গ্ৰহণ কৰিছো। গতিকে আপুনি মনত ৰাখিব যে আপুনি সকলো সময়ত প্ৰাৰ্থনাৰ নিৰাপত্তাৰ অধীনত আছে। প্ৰভু যীচু খ্ৰীষ্টই এই দায়িত্ব আমাক দিছে।

আপুনি আমাৰ আলোচনীখন গুৰুত্ব সহকাৰে অধ্যয়ন কৰাৰ বাবে আমি সুখী হৈছো। এক উদাহৰণ





**CHIEF EDITORS**
Pastor S. Sam Selva Raj
Angeline Selvakumari Henry, M.A., M.Ed.

**MANAGING EDITOR**
Pastor Alex Samson Sam, B.Th., M.Div.

**ADMINISTRATION**
Bro. N. Prakasam, M.A., General Manager

**EDITORIAL BOARD**
Sis. Jesy Veena Sam
Bro. M. Paulraj, M.A., B.Ed.
Sis. Serena Bevin, M.A., M. Phil., B.Ed.

**ADVISORY BOARD**
Adv. Jose Abraham
Adv. N. Balaji, B.Com., B.L.
Dr. S. Rabinder Boaz, M.S.
Er. C.G.S. Baburao, B.Tech., M.Tech. (DM)
Aud. K. Puratchivendan, M.Com., B.L.
Bro. Rajeswaran Samuel, B.Com.



**PUBLISHER & PRINTER**
Pastor S. SAM SELVA RAJ
**Echo of His Call Printers**
10, Mohammed Abdullah 2nd Street,
Chepauk, Chennai- 600 005, India.



**Phone :** (+91-44) 2852 8282
2852 9293, 2854 7766
**Email :** sam@echoofhiscall.org
biblecor@yahoo.co.in

**Websites :**
www.echoofhiscall.org
www.echoofhiscall.com



**Our Ministries:** ECHO OF HIS CALL Monthly Magazines (16 languages) BIBLECOR - Postal Courses (3 languages) Theological Correspondence Courses (2 languages) Church Planting Nehemiah Bible Colleges Gospel Printing Press Great Commission Partners Village English High School Crusades 100 Prayer Warriors Community Development

স্বৰূপে ২০১৯ চনৰ নৱেম্বৰ ২৭ তাৰিখৰ তামিল আলোচনীত প্ৰাৰ্থনাৰ অনুৰূধৰ বিষয়টোত এটা ভুল হৈ গৈছিল। সেইদিনাই গোটেই পৃথিৱীৰ তথা আপোনাৰ দৰে লোকসকলে টেলিফোনৰ যোগেদি ভুলকৈ লিখা প্ৰাৰ্থনাৰ অনুৰূধৰ বিষয়ে জানিবলৈ ফোন কৰিছিল। তাৰ বাবে তেওঁলোকক মই প্ৰশংসা কৰো আৰু এই ভুলৰ বাবে আমি দুখ প্ৰকাশ কৰিছো।

আমি প্ৰাৰ্থনাৰ অংশীদাৰীসকলক ধন্যবাদ জনাইছো কিয়নো তেওঁলোকে আপোনাৰ দৰে আমাৰ পঢ়ুৱৈসকলৰ আৱশ্যকীয় বিষয়বিলাকৰ বাবে প্ৰাৰ্থনা কৰিবলৈ দায়িত্ব লৈছে, লগতে প্ৰতিমাহে আমালৈ দান বৰঙনি পঠোৱা লোকসকলৰ বাবে প্ৰাৰ্থনা কৰিবলৈ দায়িত্ব লোৱা তেওঁৰ আহবানৰ প্ৰতিধ্বনি বিশ্বাসৰ অংশীদাৰীসকল, জীৱন অংশীদাৰীসকল (যিসকলে এবাৰ মোটামুটিকৈ দান দিলে), গ্ৰাহক অংশীদাৰীসকল, যিসকলে এটা দলক ধৰি পৰিশ্ৰান্ত নোহোৱাকৈ তেওঁৰ আহবানৰ প্ৰতিধ্বনিৰ বাবে প্ৰাৰ্থনা আৰু সহায় কৰাৰ বাবে আৰু প্ৰাৰ্থনা কৰি থকা আৰু ঈশ্বৰৰ কাৰ্য কৰি থকা মহান আজ্ঞাৰ অংশীদাৰীসকললৈও ধন্যবাদ জ্ঞাপন কৰিছো।

তেওঁৰ আহবানৰ প্ৰতিধ্বনিৰ পৰিচৰ্যাবিলাকৰ ৫১ তম বৰ্ষৰ বাবে ঈশ্বৰক ধন্যবাদ জনাওঁ। এই বৰ্ষটো মোৰ সমৰ্থ আৰু বলতকৈও অধিক কষ্ট কৰি মই ভাৰতৰ ভিতৰে-বাহিৰে যাত্ৰা কৰিবলাগিব, শুভবাৰ্তা প্ৰচাৰ কৰাৰ দ্বাৰাই ঈশ্বৰৰ পৰিচৰ্যা ঘোষণা কৰাৰ পৰিকল্পনা ল'ব লাগিব। চলাওঁতাসকলক তৈয়াৰ কৰিব লাগিব, মণ্ডলী স্থাপন কৰিব লাগিব আৰু ভাৰত, নেপাল, পাকিস্থান, বাংলাদেশ আৰু শ্ৰীলংকাত থকা পিছপৰা শ্ৰেণীৰ লোকবিলাকৰ বাবে সমাজ সেৱা আৰম্ভ কৰিব লাগিব। মই ঈশ্বৰ আৰু আপোনালোকৰ আগত নিজকে নম্ৰ কৰি তলত উল্লেখ কৰা আমাৰ দেশখনৰ বাবে ঈশ্বৰৰ দৰ্শনক পৰিপূৰ্ণ কৰিবলৈ প্ৰয়োজনবিলাকৰ বাবে প্ৰাৰ্থনা কৰিবলৈ অনুৰূধ জনালো ঃ

১। আমাক প্ৰেম কৰা, ভাৰষা কৰা, আমাৰ বাবে প্ৰাৰ্থনা কৰা আৰু আৰ্থিকভাৱে আমাক সহায় কৰা সকলোৰে সৈতে ঈশ্বৰৰ অনুগ্ৰহ থাকক।

২। ঈশ্বৰৰ আৰ্থিক সহায়ৰ হাত আমাৰ সৈতে থাকক কিয়নো আমাৰ দৈনিক প্ৰয়োজনীয় বস্তুবিলাকৰ বাবে আমাৰ কোনো নিয়মীয়া উপাৰ্জন নাই আৰু আমি এই সকলো প্ৰয়োজনীয়ৰ বাবে আমাৰ প্ৰভু যীচু খ্ৰীষ্টত বিশ্বাস কৰাৰ দ্বাৰাই চলো।

৩। মোৰ মুখ্য কাৰ্যালয়ৰ সহকৰ্মীসকল, শাখা কাৰ্যালয়সমূহ, মণ্ডলীসমূহ, চেইণ্ট পৌলচ্ মেট্ৰিকুলেশ্বন হাইস্কুল, নহিমিয়া বাইবেল কলেজকেইখন, বিব্লিকৰ (বাইবেল যোগাযোগ পাঠ্যক্ৰম), থিয়'ল'জিকেল যোগাযোগ পাঠ্যক্ৰমবিলাক, ছপাশাল, সহকাৰী সম্পাদকসকল আৰু তেওঁবিলাকৰ কৰ্মী, সভ্যসকল, মিশ্বন কেন্দ্ৰ ইত্যাদিক সজ্জিত কৰিবলৈ ক্ষমতা প্ৰদান কৰিবলৈ আৰু এক বিশেষ অভিযেক আৰু শক্তি যোগাবলৈ ঈশ্বৰৰ সহায়কাৰী হাত থকাৰ প্ৰয়োজন আছে।

৪। মোক আৰু অধিক নতুন অভিযেক প্ৰাপ্ত কাৰ্যবাহী লোকসকল, কণিষ্ঠ কাৰ্যবাহী লোকসকল, আত্মিক চলাওতাসকল, কম্পিউটাৰ আৰু বাহন ৰক্ষণাবেক্ষণ, ছপাশাল, হাইস্কুল, বাইবেল কলেজ, কাৰ্যালয়ৰ প্ৰশাসন, মিডিয়া পৰিচৰ্যা, মিশ্বনেৰী কাৰ্য, তত্বাৱধায়ক, ৰক্ষণাবেক্ষণ ইত্যাদিৰ প্ৰয়োজন আছে।

৫। মোৰ ভাৰ্যা জেচি ভিনা ছামৰ স্বাস্থ্যই মোক কেতিয়াবা উদিগ্ন কৰি তোলে। কিয়নো তেওঁৰ হাওঁফাওঁৰ সমস্যাত ভূগি আছে। যদিও চিকিৎসকসকলে ২০১৮ চনতেই সকলো আশা হেৰুৱাই দিছিল তথাপিও তাই মোৰ সহায়কাৰী হিচাবে কাম কৰি আছে।

৬। মোৰ পুত্ৰ পালক এলেক্স ছামচন ছাম ঈশ্বৰৰ পৰিচৰ্যাৰ বাবে এতিয়া আৰু আগ্ৰহ, বিশেষ আহবানেৰে আশীৰ্বাদপ্ৰাপ্ত হৈছে। তেওঁ থিয়'জিকেল অধ্যয়ন সম্পূৰ্ণ কৰাৰ পাছত মোৰ সৈতে ঈশ্বৰৰ পৰিচৰ্যা কৰি আছে আৰু মোৰ দায়িত্বসমূহৰ প্ৰায়ভাগেই তেওঁ চলাই আছে। তেওঁৰ ভাল স্বাস্থ্য আৰু পৰিচৰ্যাৰ বাবে ক্ষমতা আৰু প্ৰবলতাৰে কৰিবলৈ আপোনাৰ বিশেষ প্ৰয়োজন আছে।

৭। মোৰ কন্যা এঞ্জেলাইন ছেলভা কুমাৰী হেনৰী বৰ্তমান ভাৰতৰ বাহিৰত আছে। তেওঁ এগৰাকী উচ্চ প্ৰতিভাশালী ব্যক্তি হয় আৰু প্ৰভুৰ পৰিচৰ্যাৰ বাবে তেওঁ ডাঙৰ কাৰ্য কৰিব পাৰে। গতিকে পৰিচৰ্যাত তেওঁ দায়িত্বভাৰ গ্ৰহণ কৰিবলৈ প্ৰভুৱে তাইক ঘূৰাই আনিবলৈ আমি প্ৰাৰ্থনা কৰি আছো।

এই ২০২০ নৱবৰ্ষৰ মোৰ সকলো পুৰণি বন্ধুসকল, সমৰ্থকসকল আৰু তেওঁলোকৰ পৰিয়ালবৰ্গৰ মিঠা স্মৃতিৰ সৈতে মই তেওঁলোকক সোঁৱৰণ কৰো আৰু প্ৰাৰ্থনা কৰো। সমত্ব পৃথিৱীত থকা মোৰ পঢ়ুৱৈসকল, বন্ধুসকল আৰু সমৰ্থকসকলক আমাৰ প্ৰভু আৰু ত্ৰাণকৰ্তা যীচুখ্ৰীষ্টৰ চিৰস্থায়ী নামত শুভেচ্ছা জনালোঙ্গ

শুভ বৰদিন আৰু আশীৰ্বাদপ্ৰাপ্ত ২০২০ নৱবৰ্ষৰ শুভেচ্ছা জনালো।

খ্ৰীষ্ট যীচুত আপোনাৰ সেৱক
এচ. চাম ছেলভা ৰাজ।

---

*(প্ৰথম পৃষ্ঠাৰ পৰা)*

মনোভাৱক তেওঁলোকে দেখা পাব।

লুক ১১ঃ১-১৩ "পাছে তেওঁ এঠাইত প্ৰাৰ্থনা কৰি, তাক কৰি এটালত, তেওঁৰ এজন শিষ্যই তেওঁক ক'লে, হে প্ৰভু যোহনে যেনেকৈ তেওঁৰ শিষ্যবিলাকক প্ৰাৰ্থনা কৰিবলৈ শিকালে, আপুনিও তেনেকৈ আমাক শিকাওক"। তাতে তেওঁ তেওঁলোকক ক'লে, "তোমালোকে প্ৰাৰ্থনা কৰা সময়ত এইদৰে কোৱা, হে পিতৃ, তোমাৰ নাম পূজনীয় হওক, তোমাৰ ৰাজ্য হওক, আমাৰ প্ৰয়োজনীয় আহাৰ দিনে দিনে আমাক দিয়া। আৰু আমাৰ পাপ ক্ষমা কৰা, কিয়নো আমিও নিজৰ নিজৰ ধৰুৱাক ক্ষমা কৰো। আৰু আমাক পৰীক্ষালৈ নিনিবা, কিন্তু পাপ আত্মাৰ পৰা ৰক্ষা কৰিবা"। তেওঁ তেওঁলোকক আৰু ক'লে, তোমালোকৰ মাজৰ যাৰ বন্ধু আছে, তেওঁ যদি মাজনিশা তেওঁৰ ওচৰলৈ গৈ কয়, 'হে বন্ধু, মোক তিনিটা পিঠা ধাৰে দিয়া', 'কিয়নো মোৰ ঘৰলৈ জন পথিক বন্ধু আহিল, তেওঁক সুধিবলৈ মোৰ একো নাই', তেনেহ'লে সেই বন্ধুৱে মোক দিগ নিদিবা, এতিয়া দুৱাৰ বন্ধ, আৰু মোৰ সন্তানকেইটা মোৰ লগত শুই আছে, তোমাক দিবলৈ উঠিব

নোৱাৰো, ভিতৰৰ পৰা এনে উত্তৰ দিবনে'? "মই তোমালোকক কওঁ বন্ধু হোৱা হেতুকে উঠি নিদিলেও, ঘনে ঘনে খুজি থকাত, তেওঁ উঠি, তেওঁৰ যিমান প্ৰয়োজন, সিমান তেওঁক দিব। আৰু মই তোমালোকক কওঁ, খোজা, তেহে তোমালোকক দিয়া হ'ব, বিচাৰা, তেহে পাবা; দুৱাৰত টুকুৰিওৱা, তেহে তোমালোকলৈ দুৱাৰ মুকলি কৰা হ'ব। কিয়নো যেয়ে যেয়ে খোজে, সেয়ে সেয়ে পায়, যেয়ে বিচাৰে, সেয়ে দেখা পায় আৰু যেয়ে টুকুৰিয়ায়, তেওঁলৈকে দুৱাৰ মুকলি কৰা হ'ব। "তোমালোকৰ মাজৰ কোনজন বাপেকে পুতেকে পিঠা খুজিলে, তেওঁ তাক শিল দিব? বা মাছ খুজিলে মাছৰ সলনি তাক সাপ দিব? নাইবা কণী খুজিলে তাক কেঁকোৰা বিছা দিব? "এতেকে তোমালোক দুৰ্জন হৈয়ো নিজ নিজ সন্তানবিলাকক যদি ভাল বস্তু দিব জানা তেন্তে তাতকৈয়ো তোমালোকৰ স্বৰ্গত থকা পিতৃয়ে তেওঁত খোজাবিলাকক পবিত্ৰ আত্মা নিদিবনে?"

যীচুৱে শিষ্যবিলাকৰ প্ৰশ্নৰ উত্তৰ দিয়াৰ দ্বাৰাই ইয়াকে ক'ব বিচাৰে যে আমি প্ৰাৰ্থনাত সাহসী আৰু অটল হোৱাটো কিমান গুৰুত্বপূৰ্ণ হয়। এই একেটা দৃষ্টান্তত যীচুৱে দেখুৱাই দিয়ে যে ঈশ্বৰে আমাৰ প্ৰাৰ্থনাৰ উত্তৰ দিয়ে। তেতিয়াৰ দিনত এজন ব্যক্তিয়ে তেওঁৰ আলহীক যত্ন লোৱাত অগ্ৰাহ্য কৰাৰ অধিকাৰ নাছিল। সেইটো তেওঁলোকৰ পৰম্পৰাৰ এটি অংশ আছিল যদিও সেই ব্যক্তিজন ঘোৰ নিদ্ৰাত আছিল আৰু দুৱাৰ বন্ধ কৰি লৈছিল তথাপিও তেওঁ গাঁওখনৰ মৰ্য্যদাৰ খাতিৰত নিশা শোৱাপাটীৰ পৰা উঠি ওচৰ-চুবুৰীয়াক সহায় কৰা তেওঁৰ দায়িত্ব আছিল। যদিও সেই ব্যক্তিজনে বাৰে বাৰে দুৱাৰ টুকুৰিয়াবলীয়া হৈছিল যাতে তেওঁ সহায় পাব। যীচুৱে এই একেই কথাযাৰ আমালৈ কৈ আছে কেতিয়াবা আমি বাৰে বাৰে প্ৰাৰ্থনা কৰিব লগীয়া হ'ব পাৰে। কিয়নো আমাৰ নিয়ম আৰু ঈশ্বৰৰ প্ৰতিজ্ঞাৰ কাৰণে আমি জানো যে ঈশ্বৰে আমাৰ প্ৰাৰ্থনাৰ উত্তৰ দিব আৰু তেওঁ আমাক প্ৰত্যেক উত্তম আৰু শুদ্ধ বস্তুবোৰ দিব যিয়ে আমাক কেতিয়াও অনিষ্ট নকৰিব।

**বিশ্বাসৰ প্ৰাৰ্থনা ঃ**

মাৰ্ক ১১ঃ২৩-২৫ "মই তোমালোকক স্বৰূপকৈ কওঁ, যি কোনোৱে এই পৰ্ব্বতটোক কয়, ইয়াৰ পৰা উঠি সাগৰত পৰগৈ আৰু মনত সংশয় নকৰি যি কয়, সেয়ে ঘটিব বুলি যদি বিশ্বাস কৰে তেন্তে সেয়ে তেওঁলৈ সিদ্ধ হ'ব। এই হেতুকে মই তোমালোকক কওঁ, তোমালোকে প্ৰাৰ্থনা কৰি যি যি খোজা, সেই সকলোকে পালো বুলি বিশ্বাস কৰা, তেহে পাবা আৰু যাতে স্বৰ্গত থকা তোমালোকৰ পিতৃয়ে তোমালোকৰ অপৰাধ ক্ষমা কৰিবৰ নিমিত্তে তোমালোকে প্ৰাৰ্থনা কৰিবলৈ থিয় হওঁতে, যদি কাৰোবাৰ বিৰুদ্ধে তোমালোকৰ কিবা থাকে, তেন্তে ক্ষমা কৰা।"

যেতিয়া আমি সেই ব্যক্তিজনৰ আৰোগ্যৰ বাবে প্ৰাৰ্থনা কৰো যিকোনো কাৰণত তেওঁ ৰোগত ভুগিব পাৰে। লঘোণ দি প্ৰাৰ্থনা কৰাটো ভাল। যেতিয়া আমি একান্ত মনে আৰু নিৰন্তৰে প্ৰাৰ্থনা কৰো, ইয়াৰ অৰ্থ এইটো নহয় যে তেতিয়াই ঈশ্বৰে কাৰ্য কৰাৰ সময় হ'ব পাৰে। কেৱল ঈশ্বৰেহে তেওঁৰ সময় জানে। যেতিয়া আমি বাইবেল শুদ্ধভাৱে অধ্যয়ন কৰো আৰু প্ৰাৰ্থনা কৰো আমি ঈশ্বৰৰ ইচ্ছাক জানিব পাৰো, কিন্তু ঈশ্বৰৰ সময় তেওঁৰেই হয়। আমি প্ৰাৰ্থনা স্থগিত ৰাখিব নোৱাৰো কিয়নো পবিত্ৰ আত্মাই আমাক সহায় কৰিব আৰু ঈশ্বৰৰ ইচ্ছাক প্ৰকাশ কৰিব। আমি বিশ্বাস কৰাক বন্ধ কৰিব নোৱাৰো আৰু আমি ঈশ্বৰক ত্যাগ কৰিব নোৱাৰো। পাঁচনিৰ কৰ্ম ২৮ঃ৮ "তেতিয়া সেই পুব্লিয়ৰ পিতাক জ্বৰ আৰু গ্ৰহণী ৰোগত পৰি থকাত, পৌলে তাত সোমাই প্ৰাৰ্থনা কৰি, তেওঁৰ গাত হাত দি, তেওঁক সুস্থ কৰিলে।"

পৌল মিলিতা দ্বীপত আছিল। পুব্লিয়ৰ পিতাক ৰোগত পৰি আছিল আৰু সুস্থতাৰ প্ৰয়োজন আছিল। শাস্ত্ৰই আমাক স্পষ্টকৈ দেখুৱাইছে যে পাঁচনি পৌলে, সেই মানুহজনৰ ওপৰত হাত দিয়াৰ আগতে তেওঁৰ আৰোগ্যৰ বাবে প্ৰথমে ঈশ্বৰলৈ প্ৰাৰ্থনা কৰাৰ প্ৰয়োজনীয়তাক বুজি পালে। প্ৰায় সময়ত আমি এটা ভুল কৰো যেতিয়া আমি কোনো


## Echo of His Call Postal Courses

**1. BIBLECOR**

We offer a Postal Course on Basic Truths of The Bible to new christians and non-christians in English, Hindi & Tamil. You will get a course book entitled **New Life – For You!** with about 70 pages. After the completion of this course, you will get a certificate. **There will be no compulsory fees**. This courses is for candidates in India only.

**2. THEOLOGICAL CORRESPONDENCE COURSE**

Advanced Distance Education called **Theological Correspondence Course** is available for Pastors, Evangelists and Christian Leaders! A fee of Rs. 1000/- is charged. 7 Books with 142 Chapters are supplied. **Certificate in Ministry** will be awarded.

***For more details, write to us.***

**The Chairman, Nehemiah Bible College, Echo of His Call**
10, Mohammed Abdullah 2nd Street, Opp. Cricket Stadium,
Chepauk, Chennai - 600 005, India.
**Ph.: (044) 2852 8282, 2852 9293, 2854 7766, Cell : (+91) 98410 71852, 95661 31858 E-mail : biblecor@yahoo.co.in**

**The details of our Bank Accounts are given below. Please inform us the details of your remittances.**

| Bank | Branch | Name | IFSC Code No. | Account Number |
|---|---|---|---|---|
| 1. STATE BANK OF INDIA | Triplicane, Chennai -5 | S. Sam Selva Raj | SBIN 0000249 | 102329 34679 |
| 2. ICICI BANK | Anna Salai, Chennai -2 | Echo of His Call | ICIC 0006038 | 6038 05022319 |

# প্ৰধান আজ্ঞাৰ অংশীদাৰসকল

**বিলোৱা** (গালাতীয়া ৬ঃ২),
**সমৰ্থন আগবঢ়োৱা** (ৰোমীয়া ১২ঃ১৩) **আৰু**
**আগবাঢ়ি যোৱা** (২ তীমথিয় ১ ঃ ৬)

## প্ৰাৰ্থনাৰ অনুৰোধবোৰ

(অনুগ্ৰহ কৰি এই তালিকাখনি উলিয়াওক, ভাজ কৰক আৰু ইয়াক আপোনাৰ বাইবেলখনৰ ভিতৰত ৰাখক আৰু নিয়মীয়াকৈ প্ৰাৰ্থনা কৰক)

## ২০২০ চনৰ ১৯ জানুৱাৰীৰ পৰা ২০২০ চনৰ ১৮ ফেব্ৰুৱাৰীলৈ

### প্ৰশংসাৰ বিষয়সমূহ ঃ

**জানুৱাৰী ১৯** ঃ ঈশ্বৰে আমাৰ গোটেই নিশাৰ প্ৰাৰ্থনাত আশীৰ্বাদ কৰিলে।

**জানুৱাৰী ২০** ঃ পৃথিৱীজোৰা জাগৰণীৰ বাবে ১০০ জনীয়া প্ৰাৰ্থনা যুজাঁৰু পৰিচৰ্যাত প্ৰভুৱে আশীৰ্বাদ কৰিছে।

**জানুৱাৰী ২১** ঃ আমাৰ মিশ্বন ক্ষেত্ৰৰ পৰা ভাল ৰিপৰ্টবোৰ আমি পাই আছো।

**জানুৱাৰী ২২** ঃ ঈশ্বৰে আমাৰ পৰিশোধ কৰিবলগীয়া বিলসমূহ আদায় কৰিবলৈ সহায় কৰিলে।

**জানুৱাৰী ২৩** ঃ আমাৰ চেইন্ট পৌলচ্ মেট্ৰিকুলেশ্বন স্কুলৰ শিক্ষকসকলৰ বাবে প্ৰশংসা কৰোহক ।

**জানুৱাৰী ২৪** ঃ ১৬ টা ভাষাৰ আমাৰ শুভবাৰ্তাৰ পত্ৰিকা প্ৰিন্টিং প্ৰেছত ছপা কৰা আৰু মিশ্বন ফিল্ডলৈ পঠোৱাত ঈশ্বৰে আশীৰ্বাদ কৰিছে।

**জানুৱাৰী ২৫** ঃ আমাৰ বিল্লিকৰ বাইবেল যোগাযোগ পাঠ্যক্ৰম আৰু থিয়'ল'জিকেল যোগাযোগ পাঠ্যক্ৰৰ বাবে ঈশ্বৰৰ প্ৰশংসা কৰোহক।

**জানুৱাৰী ২৬** ঃ আমাৰ সকলো সহকাৰী সম্পাদক আৰু তেওঁলোকৰ পৰিয়ালৰ সদস্যসকলৰ বাবে ঈশ্বৰৰ প্ৰশংসা কৰোহক।

**জানুৱাৰী ২৭** ঃ আমাৰ নহিমিয়া বাইবেল কলেজ কেইখনৰ অধ্যাপকসকলৰ বাবে প্ৰশংসা কৰোহক।

**জানুৱাৰী ২৮** ঃ আমাৰ প্ৰাৰ্থনাৰ অংশীদাৰীসকল, বিশ্বাসী অংশীদাৰীসকল, জীৱন অংশীদাৰীসকল, গ্ৰাহক অংশীদাৰী, প্ৰধান আজ্ঞাৰ অংশীদাৰীসকল আৰু তেওঁলোকৰ পৰিয়ালৰ সদস্যসকলৰ বাবে ঈশ্বৰক প্ৰশংসা কৰোহক।

**ডিচেম্বৰ ২৯** ঃ আমাৰ নহিমিয়া বাইবেল কলেজ কেইখনৰ সকলো কাৰ্যত ঈশ্বৰে আশীৰ্বাদ কৰিছে।

**জানুৱাৰী ৩০** ঃ আমাৰ সকলো মিশ্বন যাত্ৰাত ঈশ্বৰে আশীৰ্বাদ কৰিলে।

**জানুৱাৰী ৩১** ঃ আমাৰ ৰাজ্যিক সহ পৰিচালকসকলৰ বাবে ঈশ্বৰৰ প্ৰশংসা কৰোহক।

**ফেব্ৰুৱাৰী ১** ঃ যোৱা মাহত আমাৰ তেওঁৰ আহবানৰ প্ৰতিধ্বনি পৰিচৰ্যাবিলাকৰ সকলো কাৰ্যত ঈশ্বৰে আশীৰ্বাদ কৰিছে।

**ফেব্ৰুৱাৰী ২** ঃ আমাৰ জেষ্ঠ পালক এচ. চাম ছেলভা ৰাজ আৰু তেওঁৰ পৰিয়ালৰ সদস্যসকলক সকলো মন্দ শক্তিৰ পৰা আমাৰ প্ৰভুৱে ৰক্ষা কৰিলে।

**ফেব্ৰুৱাৰী ৩** ঃ যোৱা মাহত আমাৰ মণ্ডলীলৈ নতুন আত্মাবোৰক ঈশ্বৰে আনিলে।

### প্ৰাৰ্থনাৰ বিষয়সমূহ !

**ফেব্ৰুৱাৰী ৪** ঃ ২০২০ বৰ্ষৰ তেওঁৰ আহবানৰ প্ৰতিধ্বনি পৰিচৰ্যাবিলাকৰ বাবে প্ৰয়োজনীয় আৰ্থিক সাহায্যক ঈশ্বৰে যেন যোগাই।

**ফেব্ৰুৱাৰী ৫** ঃ ২০১৯ চনত যিসকল আমাৰ বন্ধুৱে আমাৰ মিশ্বন ফিল্ডবোৰত পৰিদৰ্শন কৰিছিল তেওঁলোকক ঈশ্বৰে আশীৰ্বাদ কৰক।

**ফেব্ৰুৱাৰী ৬** ঃ ২০২০ ৰ নতুন বৰ্ষত ঈশ্বৰে আপোনালোক সকলোকে আশীৰ্বাদ কৰক।

**ফেব্ৰুৱাৰী ৭** ঃ ড্ৰাগছ সেৱনকাৰী লোকসকলক প্ৰভুৱে উদ্ধাৰ কৰক।

**ফেব্ৰুৱাৰী ৮** ঃ সকলো মণ্ডলীৰ অনুষ্ঠানবিলাকৰ বিশ্বাসীসকলৰ মাজত যেন প্ৰেম বজাই ৰাখে।

**ফেব্ৰুৱাৰী ৯** ঃ আমাৰ তেওঁৰ আহবানৰ প্ৰতিধ্বনি পৰিচৰ্যাবিলাকত যিসকলে প্ৰাৰ্থনাৰে আৰু আৰ্থিকভাৱে সহায় কৰি আছে।

**ফেব্ৰুৱাৰী ১০** ঃ নিশা প্ৰতিমা আৰাধনা কৰাৰ সময়ত হোৱা ডাঙৰ হুলস্থুলক প্ৰভুৱে বন্ধ কৰিব লাগে।

**ফেব্ৰুৱাৰী ১১** ঃ উত্তৰ ভাৰতৰ মিশ্বনেৰীসকলৰ নিৰাপত্তা আৰু ঈশ্বৰৰ সহায়ৰ বাবে প্ৰাৰ্থনা কৰোহক।

**ফেব্ৰুৱাৰী ১২** ঃ ২০২০-২০২১ বৰ্ষতআমাৰ নহিমিয়া বাইবেল কলেজ কেইখনলৈ উপযুক্ত ছাত্ৰ-ছাত্ৰীসকলক যেন ঈশ্বৰে দিয়ে।

**ফেব্ৰুৱাৰী ১৩** ঃ আমাৰ শুভবাৰ্তা ছপা কৰোৱা ছপাশালক ঈশ্বৰে সহায় কৰক।

**ফেব্ৰুৱাৰী ১৪** ঃ পৃথিৱীৰ সকলো ৰাজনৈতিক দল আৰু তাৰ চলাওঁতাসকল।

**ফেব্ৰুৱাৰী ১৫** ঃ গোটেই পৃথিৱীলৈ ঈশ্বৰে শান্তি পঠিয়াওক।

**ফেব্ৰুৱাৰী ১৬** ঃ আমাৰ মণ্ডলীসমূহৰ সহকৰ্মীসকলৰ, প্ৰকাশনবোৰ, স্কুল, বাইবেল কলেজ কেইখন, ছপাশাল আৰু প্ৰশাসনৰ ওপৰত এক সতেজ অভিষেক।

**ফেব্ৰুৱাৰী ১৭** ঃ চুবুৰীয়া দেশ যেনে নেপাল, পাকিস্তান আৰু বাংলাদেশ।

**ফেব্ৰুৱাৰী ১৮** ঃ আমাৰ জেষ্ঠ পালক এচ, চাম ছেলভা ৰাজ আৰু তেওঁৰ পৰিয়ালৰ সদস্যসকলক সকলো মন্দ শক্তিৰ পৰা ঈশ্বৰে যেন ৰক্ষা কৰে।

ৰোগীক পৰিদৰ্শন কৰিবলৈ যাওঁ, আমি বুজিবৰ বাবে, স্বৰ্গীয় জ্ঞান, দয়া আৰু পৰামৰ্শৰ বাবে প্ৰাৰ্থনা নকৰো। যেতিয়া আমি প্ৰথমে ঈশ্বৰলৈ প্ৰাৰ্থনা কৰো তেতিয়া ঈশ্বৰে আমাক কিদৰে ঈশ্বৰৰ সুস্থতাৰ শক্তিয়ে কাম কৰিব তাৰ পৰামৰ্শ দিয়ে। তেতিয়া আমি সেই নিশ্চয়তাৰে পৌলৰ দৰে ঈশ্বৰৰ পৰামৰ্শ দিয়াৰ দৰে বাধ্যতাত সেই ব্যক্তিজনৰ মূৰত আমাৰ হাত দিব পাৰো।

যোহন ৫ঃ১৪-১৫ "আৰু তেওঁৰ উদ্দেশ্যে আমি পোৱা সাহ এই যে, আমি যদি তেওঁৰ ইচ্ছাৰ দৰে কিবা যাচনা কৰো, তেন্তে তেওঁ আমাৰ সেই যাচনা শুনে। আৰু আমি যিকোনো যাচনা কৰো, আমাৰ সেই যাচনা তেওঁ শুনে, ইয়াকে যদি জানো, তেন্তে তেওঁত যি যি যাচনা কৰিলো সেই সকলোকে পালো বুলি আমি জানো।"

যেতিয়া ঈশ্বৰৰ ইচ্ছা পূৰ্ণ হয় তেতিয়া আমাৰ ওপৰত তেওঁৰ শক্তি দিয়ে। যীচুৱেই আমাৰ বাবে এক উদাহৰণ। তেওঁ আমাৰ ঈশ্বৰ হয় আৰু তেওঁ যিহকে ইচ্ছা তাকেই কৰিবলৈ তেওঁৰ অধিকাৰ আছে। কিন্তু আমি পঢ়িবলৈ পাওঁ যে তেওঁ যিহকে কৰিলে সেই কাৰ্য কৰাৰ আগতেই তেওঁ সদায় পিতৃৰ ইচ্ছাক জানিবলৈ বিচাৰিছিল। যেতিয়া আমি পিতৃৰ ইচ্ছাক বুজি পাওঁ তেতিয়া আমি কিদৰে প্ৰাৰ্থনা কৰিব লাগে তাক জানো। যেতিয়া আমি ঈশ্বৰৰ ইচ্ছাক জানো আৰু তেওঁলৈ সমৰ্পণ হ'বলৈ সাজু হওঁ তেতিয়া আমি নিজ ইচ্ছাৰে প্ৰাৰ্থনা নকৰো কিন্তু তেওঁৰ ইচ্ছাৰ দ্বাৰাইহে প্ৰাৰ্থনা কৰো।

ৰোমীয়া ৮ঃ২৬-২৭ "এইদৰে আত্মায়ো আমাৰ দুৰ্বলতাত উপকাৰ কৰে, কাৰণ উচিতমতে কি প্ৰাৰ্থনা কৰিব লাগে, তাক আমি নাজানো, কিন্তু আত্মাই নিজে আমাৰ অৰ্থে অনিৰ্বচনীয় কেঁকনিৰে নিবেদন কৰে, আৰু আত্মাৰ ভাব কি, তাক অন্তৰ্যামী ঈশ্বৰে জানে, কাৰণ ঈশ্বৰৰ ইচ্ছাৰ দৰে, তেওঁ পবিত্ৰ লোকৰ কাৰণে নিবেদন কৰে।"

ঈশ্বৰৰ ইচ্ছাৰ মতে আমি কিদৰে প্ৰাৰ্থনা কৰিব লাগে তাক নাজানো। আমাত থকা পৱিত্ৰ আত্মাই আমাৰ প্ৰাৰ্থনাক অভিষেক কৰাৰ দ্বাৰাই আমি জানিম যে এইটো ঈশ্বৰৰ ইচ্ছা। যেতিয়া আমি পৰিত্ৰ আত্মাক আমাক সহায় কৰিবৰ বাবে আদৰণী জনাওঁ তেতিয়া আমি ঈশ্বৰ আৰু আমাৰ মাজৰ দুয়োফালৰ চেনেলৰ মুকলি কৰো। সেই গতিকে পৰিত্ৰ আত্মাক আমালৈ দিয়া হৈছে।

যোহন ১৪ঃ২৬ "কিন্তু পিতৃয়ে মোৰ নামেৰে যিজনক পঠাব, সেই সহায়কৰ্তা অৰ্থাৎ পৱিত্ৰ আত্মাই তোমালোকক সকলো কথা শিকাই, মই কোৱা আটাই কথা তোমালোকক সোঁৱৰাব।"

যোহন ১৬ঃ১৩-১৫ "কিন্তু সেই সত্যৰ আত্মা যেতিয়া আহিব, তেতিয়া তেওঁ আটাই সত্যলৈ তোমালোকক পথ দেখুৱাই নিব; কিয়নো তেওঁ নিজৰ পৰা নক'ব, কিন্তু যিহকে শুনিব, তাকে ক'ব আৰু তোমালোকক ভৱিষ্যতৰ কথা জনাব। তেওঁ মোক মহিমান্বিত কৰিব, কিয়নো মোৰ যি আছে, তেওঁ তাৰ পৰা লৈ তোমালোকক জনাব; পিতৃৰ যি যি আছে, সেই সকলো মোৰ, এই হেতুকে মই ক'লো, মোৰ যি আছে, তেওঁ তাৰ পৰা লৈ, তোমালোকক জনাব।"

আমি প্ৰাৰ্থনা কৰাৰ আগতে আমালৈ ঈশ্বৰৰ ইচ্ছাক প্ৰকাশ কৰিবলৈ পৰিত্ৰ আত্মাক আমি নিমন্ত্ৰণ কৰিব লাগে। তেওঁ ইয়াক আমাৰ আত্মালৈ পোনেই দৰ্শন দিয়াৰ দ্বাৰাই ৰোপণ কৰিব (পাঁচনিৰ কৰ্ম ১১ঃ১২; পাঁচনিৰ কৰ্ম ১০ঃ৯-১৮) বা শ্ৰৱণযোগ্য বাক্যৰে আমালৈ কথা কোৱাৰ দ্বাৰাই (পাঁচনিৰ কৰ্ম ৯ঃ৪-৫) বা সপোন দিয়াৰ দ্বাৰাই (মথি ১ঃ২০-২১), বা পৱিত্ৰ আত্মাৰ এটা বোজাৰ দৰে (ৰোমীয়া ৮ঃ২৬) বা ভৱিষ্যৎবাণী দিয়াৰ দ্বাৰাই (১ কৰিন্থীয়া ১৪ঃ৩) বা আন কোনোবাক ইয়াক নিশ্চিত কৰাৰ দ্বাৰাই (পাঁচনিৰ কৰ্ম ১৫ঃ২৮), বা আমাৰ ঈশ্বৰৰ বাক্যলৈ চলোৱাৰ দ্বাৰাই (২ তীমথিয় ৩ঃ১৫-১৬)। যিমান দিন আমি ঈশ্বৰৰ আত্মাৰ দ্বাৰাই কাৰ্য কৰিম ই জৰুৰী নহয় যে কিদৰে ই কাৰ্যকৰী হ'ব। যেতিয়া আমি পৱিত্ৰ আত্মাৰ সৈতে যোগাযোগ কৰো আমাৰ প্ৰাৰ্থনাবোৰলৈ ডাঙৰ শক্তি দিয়া হয়।

যদি ঈশ্বৰে ব্যক্তিজনৰ জীৱনত অধিক পৱিত্ৰতা বা বিশ্বাসতাক আনিবলৈ তেওঁৰ মংগল কামনা কৰি আছে, তেওঁ এই কাৰ্য ৰোগ বা যান্ত্ৰণাৰ যোগেদি কৰি আছে, তেতিয়া আমি সেই মানুহজনৰ শৰীৰত সম্পূৰ্ণ আৰোগ্যৰ বাবে প্ৰাৰ্থনা কৰাৰ প্ৰয়োজন আছে। আৰু ঈশ্বৰে যি তেওঁলোকলৈ ঘটিবলৈ দিছিল সেই মানুহজন সুস্থ নহ'ব আৰু লক্ষ্যত উপনীত হ'ব। সুস্থতা পোৱাৰ বিকল্পটো তেতিয়াও ঈশ্বৰৰ হাতত থাকে। যিকোনো প্ৰয়োজনীয়তাক আমি যেতিয়া বৈধ বুলি বিশ্বাস কৰো বাইবেলত আমাক প্ৰাৰ্থনা কৰিবলৈ আজ্ঞা


## আৱশ্যক

ইংৰাজী, তামিল, মালায়ালাম, তেলুগু, হিন্দী, কানাড়া, মাৰাঠী, অসমীয়া, বেংগলী, উৰ্দ্দু, গুজৰাটী, নেপালী, উৰিয়া, পাঞ্জাবী, সিংহালা আৰু আফ্ৰিকানত তেওঁৰ আহবানৰ প্ৰতিধ্বনি প্ৰকাশিত হৈ আছে; প্ৰয়োজনীয়সমূহ

১। প্ৰশাসনীয় কাৰ্যবাহীসকল
২। লেখক (আত্মিক বাৰ্তা আৰু বিষয়বস্তু
৩। মণ্ডলীবিলাকত অনুবাদকসকল (ভাৰতৰ সকলো ভাষাবিলাকৰ বাবে)
৪। সকলো ভাৰতীয় ভাষাবিলাকত পুস্তক অনুবাদক
৫। মুখ্য কাৰ্যালয়ৰ বাবে সহকাৰী সম্পাদকসকল
৬। ছপাশালৰ কৰ্মীসকল
৭। বাহনৰ চালক
৮। স্কুলৰ শিক্ষক
৯। স্কুলৰ বাবে প্ৰতিনিধি অধ্যক্ষ
১০। বাইবেল কলেজৰ বাবে অধ্যাপক
১১। কাৰ্যালয়ত কম্পিউটাৰ টাইপ কৰিব পৰা আৰু ডি.টি.পি. কৰিব পৰা লোকৰ প্ৰয়োজন

আমাক উচ্চ উৎসৰ্গিত লোকৰহে প্ৰয়োজন আছে। আমি আপোনালোকক উপযুক্ত বেতন দিম। অনুগ্ৰহ কৰি আপোনালোকৰ বায়'ডাটা ই-মেইল sam@echoofhiscall.org বা Whatsapp No. +91 9841071858 কিমান বেতন আশা কৰে তাকো উল্লেখ কৰিব।

এচ. চাম ছেলভা ৰাজ
সম্পাদক আৰু প্ৰকাশক
তেওঁৰ আহবানৰ প্ৰতিধ্বনি

দিছে। ঈশ্বৰে আমাৰ প্ৰাৰ্থনাৰ উত্তৰ দিব পাৰে। আৰু যদি তেওঁ সেই ব্যক্তিজনক সেই সময়ত বা একেবাৰেই সুস্থ কৰিব নিবিচাৰে তেওঁ তাকো আমালৈ প্ৰকাশ কৰিব পাৰিব। যদি ঈশ্বৰে সেই প্ৰয়োজনীয়তাক গ্ৰাহ্য কৰে আৰু যদি সেয়া তেওঁৰ পৰিকল্পনা বা উদ্দেশ্যত আছে তেতিয়া তেওঁ সুস্থ কৰিবঙ্গ

তেন্তে এটা বৈধ প্ৰয়োজননো কি? আমি বিশ্বাস কৰিব লাগে যে ঈশ্বৰ আমাৰ স্বৰ্গীয় পিতৃ হয় আৰু আমাৰ হিত আৰু মংগলৰ বাবে থকা যিকোনো বস্তুক তেওঁ ধৰি নাৰাখিব বা প্ৰতিৰোধ নকৰিব। যেতিয়া মোৰ সন্তানবিলাকে তেওঁবিলাকৰ প্ৰয়োজনৰ বস্তু বিচাৰি মোৰ ওচৰলৈ আহে মই তেওঁলোকৰ কিছুমান প্ৰয়োজনীয় বস্তু বা অনুৰোধবোৰক সেই একেই জৰুৰী বা গুৰুত্বপূৰ্ণ দেখি নাপাওঁ। এনে ধাৰণাই মোক এজন বেয়া পিতৃ বনাই নোতোলে। কিয়নো তেওঁলোকৰ প্ৰয়োজনীয়তাক মই জানো আৰু তেওঁলোকৰ বাবে কি ভাল তাকো মই জানো। আৰু শেষ পৰ্যন্ত তেওঁলোকৰ কি পৰিণাম হ'ব তাকো মই জানো। তেওঁবিলাকে বিচৰা বস্তুক মই দিবলৈ সিদ্ধান্ত লওঁতে তেওঁবিলাকক আনন্দ দিয়া মোৰ লক্ষ্য হ'ব নোৱাৰে কিন্তু তেওঁবিলাকৰ উন্নতি হ'বলৈ, বৃদ্ধি হ'বলৈ আৰু বেয়া পথৰ পৰা তেওঁবিলাকক আঁতৰাই ৰখাটোহে মোৰ উদ্দেশ্য হ'ব। কেতিয়াবা আমি প্ৰায়েই এনে মনোভাৱ প্ৰকাশ কৰো, "তোমাক দুখ দিয়াতকৈ এইটোৱে মোক বেচি দুখ দিয়ে"। কিয়নো কেতিয়াবা আমাৰ সন্তানবিলাকে কান্দিব আৰু কেতিয়াবা মনত দুখ পাব। কিন্তু আমাৰ উদ্দেশ্য তেওঁলোকক বৃদ্ধি কৰাটোহে হ'ব লাগে।

গীতমালা ৮৪ঃ১১ "কিয়নো ঈশ্বৰ যিহোৱা সূৰ্য আৰু ঢালস্বৰূপ, যিহোৱাই অনুগ্ৰহ আৰু গৌৰৱ দান কৰে, কিন্তু সিদ্ধ পথত চলোতাবিলাকৰ পৰা তেওঁ কোনো উত্তম বস্তু আটক নকৰে।"

যদি সৰ্বজনা ঈশ্বৰৰ দৃষ্টিত সুস্থতা আমাৰ ভালৰ বাবে হয় তেন্তে ঈশ্বৰে নিশ্চয় তেওঁৰ সন্তানৰ পৰা ইয়াক ধৰি নাৰাখিব। যেতিয়া আমি প্ৰাৰ্থনা কৰো আমি বিশ্বাস কৰিব লাগে যে ঈশ্বৰে আমাক প্ৰেম কৰে, আমাৰ বাবে যত্ন লয়, আৰু আমাৰ বাবে উত্তম কাৰ্যবোৰ কৰিবলৈ ইচ্ছা কৰে আৰু আমাৰ যিকোনো উত্তম বস্তুক তেওঁ ধৰি নাৰাখিব। ঈশ্বৰ এজন ভাল সুস্থকাৰী ঈশ্বৰ হয় আৰু তেওঁ কেতিয়াও সুস্থতাৰ পৰিচৰ্যাক ত্যাগ নকৰিব।

ফিলিপীয়া ৪ঃ৬-৭ "তোমালোকে একোলৈ চিন্তা নকৰিবা; কিন্তু সকলো বিষয়তে তোমালোকৰ যাচনা, ধন্যবাদযুক্ত প্ৰাৰ্থনা আৰু নিবেদনেৰে ঈশ্বৰৰ আগত জনোৱা হওক। তাতে সকলো বুদ্ধিতকৈ উত্তম যি ঈশ্বৰৰ শান্তি, সেয়ে যীচু খ্ৰীষ্টত তোমালোকৰ হৃদয় আৰু মতিক পহৰা দিব।"

মথি ২১ঃ২২ "আৰু বিশ্বাস কৰি প্ৰাৰ্থনাৰে যি যি খোজা, সকলোকে পাবা।" যেতিয়া আমি প্ৰাৰ্থনা কৰো আমি বিশ্বাস কৰিব লাগে যে কাৰ্যটো ঘটিছে। বিশ্বাসৰ দ্বাৰাই আমি যিহকে বিচাৰো, আমি তাৰ ফল দেখাৰ আগেয়ে দাবী কৰিব লাগে। আৰোগ্য হোৱাৰ ফলাফল বা প্ৰমাণ আমি নেদেখিব পাৰো কিন্তু আমি দৃঢ়তাৰে বিশ্বাসেৰে ল'ব লাগিব যে সেয়া ইতিমধ্যে ঘটিল। যি মুহূৰ্ততে আমি প্ৰাৰ্থনা কৰো আৰু বিশ্বাস কৰো তেতিয়াই আমি আমাৰ সুস্থতা লাভকৰো। কিছুমান ক্ষেত্ৰত কিছু সময় ল'ব পাৰে। কিন্তু ইয়াৰ অৰ্থ এইটো নহয় যে ঈশ্বৰে এই কাৰ্য কৰা নাই। কেতিয়াবা প্ৰাৰ্থনা কৰাৰ পাছত কিছুমান লক্ষণ দেখা দিব আৰু তেতিয়াই চয়তানে আমাৰ মনত আৰু হৃদয়ত সন্দেহ আনিব বিচাৰে। নিশ্চিত হওক যে আপুনি ঈশ্বৰক বিচাৰে আৰু তেওঁত বিশ্বাস কৰে। কিয়নো ইব্ৰী ১১ঃ৬ মতে আমাক কয় যে "তেওঁ যে তেওঁক বিচৰা লোকৰ পুৰস্কাৰ দিওঁতা হয়।"

বহুতে ঈশ্বৰৰ পৰা সুস্থতা পোৱাত ব্যৰ্থ হৈছে, কিয়নো বিশ্বাসেৰে প্ৰাৰ্থনা কৰাৰ পাছত ততালিকে তেওঁবিলাকে ফলাফল দেখি নাপায় আৰু তেওঁবিলাকক ঈশ্বৰে কিদৰে সুস্থ কৰিব লাগে আৰু আশীৰ্বাদ দিব লাগে সেই বিষয়ে ঈশ্বৰক পৰামৰ্শ দিয়ে। এই প্ৰাৰ্থনাত উত্তৰ পাবলৈ হ'লে বিশ্বাস কৰিব লাগে যে ঈশ্বৰে প্ৰাৰ্থনা শুনিলে আৰু তেওঁ তেওঁৰ বিধানৰ দ্বাৰাই বন্ধা হৈ সেই প্ৰাৰ্থনাৰ উত্তৰ আমালৈ দান কৰে। ক্ৰমে ক্ৰমে হওঁক বা লগে লগেই হওঁক ঈশ্বৰে প্ৰাৰ্থনাৰ উত্তৰ দিব।

যোহন ১৬ঃ২৩-২৪ "সেই দিনা মোক একো কথা নুসুধিবা, মই তোমালোকক অতি স্বৰূপকৈ কওঁ, পিতৃৰ আগত যদি কিবা খোজা, তেন্তে তেওঁ মোৰ নামেৰে তোমালোকক তাক দিব। এতিয়ালৈকে মোৰ নামেৰে তোমালোকে একো খোজা নাই, তোমালোকৰ আনন্দ যেন সম্পূৰ্ণ হয়, এই কাৰণে খোজা, তেহে পাবা।"

যীচুৱে আমাৰ বিষয়ে আৰু আজিৰ বিষয়ে কথা কৈ আছিল। এতিয়া আমি ঈশ্বৰৰ সন্তানস্বৰূপে যীচুৰ নামত পোনেই পিতৃলৈ প্ৰাৰ্থনা কৰিব পাৰো যীচুৱে এই কথাষাৰ ঠিক তেওঁ কালবাৰীলৈ যোৱাৰ আগতে কৈছিল। তেতিয়ালৈকে যীচুলৈ কোনো প্ৰাৰ্থনা কৰা হোৱা নাছিল। কিন্তু অব্ৰাহাম, ইছাহাক আৰু যাকোবৰ ঈশ্বৰকহে প্ৰাৰ্থনা কৰা হৈছিল। যীচুৱে আমাৰ আনন্দক গুৰুত্ব দিয়ে।

যাকোব ৫ঃ১৩-১৫ "তোমালোকৰ মাজত কোনোবাই ক্লেশ ভোগ কৰিছেনে? তেওঁ প্ৰাৰ্থনা কৰক। কোনোবা হৰ্ষিত হৈছেনে? তেওঁ গীত-গান কৰক। কোনোবা নৰিয়া পৰিছেনে তেওঁ মণ্ডলীৰ বৃদ্ধ লোকক মাতত, পাছে তেওঁবিলাকে প্ৰভুৰ নামেৰে তেওঁৰ গাত তেল ঘঁহি, তেওঁৰ কাৰণে প্ৰাৰ্থনা কৰক; তাতে বিশ্বাসমূলক প্ৰাৰ্থনাই সেই নৰিয়াজনক সুস্থ কৰিব আৰু প্ৰভুৱে তেওঁক তুলিব আৰু যদিও তেওঁ পাপ কৰিলে, তথাপি ক্ষমা কৰা যাব।"

আমি এই শাস্ত্ৰ পাঠটি ঈশ্বৰৰ

## বাতৰি

### প্ৰতিটো ঘণ্টাত এটা যৌতুক মৃত্যু

ভাৰতত এঘণ্টাত প্ৰায় এগৰাকী মহিলাক যৌতুক সম্পৰ্কীয় অপৰাধত হত্যা কৰা হয়। যদিও এই অভ্যাস প্ৰায় পুত্ত্বতকৈ অধিক বছৰ ধৰি অবৈধ বুলি ধৰি লোৱা হৈছে। ইয়াৰ সংখ্যা সম্ভৱত দুগুণো হ'ব পাৰে কিয়নো এনে ধৰণৰ বহুতো ঘটনা দুৰ্ঘটনা বা আত্মহত্যা বুলি প্ৰত্যেক বছৰে ৰেকৰ্ড হৈ আছে।

ষ্টপভাও.অ'আৰজি

ফ'ৰ্বাণাৰ (ছেপ্টেম্বৰ, ২০১৯)

পৰিচাৰকসকলৰ পৰিচৰ্যাত আলোচনা কৰিছিলো। কিন্তু আমি উপলব্ধি কৰিব লাগে যে ই বিশ্বাসৰ প্ৰাৰ্থনাৰ লগতো খাপ খায়। এনে এটা প্ৰাৰ্থনা যিয়ে বিশ্বাসৰ স্বৰ্গীয় দানৰ দ্বাৰাই উৎপন্ন হয়। যেতিয়া আমি এই প্ৰাৰ্থনাক গণ্য কৰো আমি জানি লোৱা উচিত যে ই বিশ্বাসৰ প্ৰাৰ্থনাতকৈ অধিক বুজায়। ই এক বিশেষ প্ৰাৰ্থনা য'ত ঈশ্বৰে সুস্থতা আমালৈ দান দিয়ে। ই এক ঈশ্বৰে অনুপ্ৰেৰিত কৰা প্ৰাৰ্থনা হয়। যিবিলাকক প্ৰাৰ্থনা কৰিবলৈ আহবান কৰা হৈছে তেওঁবিলাকে কেতিয়াবা সুস্থতাৰ বাবে ইমানেই অনুপ্ৰেৰিত হৈ প্ৰাৰ্থনা কৰে যে যদি তাত ঈশ্বৰৰ ইচ্ছা থাকে তৎক্ষণাত সুস্থতাৰ কাৰ্য হয়।

মথি ১৮ঃ১৯-২০ "পুনৰায় মই তোমালোকক কওঁ, পৃথিৱীত তোমালোকৰ দুজনৰ যদি প্ৰাৰ্থনীয় কোনো বিষয়ত এক মন হয়, তেন্তে স্বৰ্গত থকা মোৰ পিতৃৰ দ্বাৰাই তেওঁলোকলৈ তাক সিদ্ধ কৰা হ'ব। কিয়নো যি ঠাইত দুই বা তিনিজন মোৰ নামেৰে গোট খোৱা হয়, সেই ঠাইতে ময়ো তোমালোকৰ মাজত থাকো।"

আমি এই দুটি পদক একেলগে ব্যৱহাৰ কৰিব লাগিব। ইয়াত এইদৰে কৈছে যে যদি দুজন লোক এই পৃথিৱীত এক মন হয়, তাৰ মাজত আপুনি য'ত থাকিলেও হ'ব। ইয়াত কেৱল মণ্ডলীৰ গীৰ্জা প্ৰাৰ্থনাৰ বিষয়ে কোৱা হোৱা নাই। যীচুৱে নিশ্চিত কৰি কয় যে যদি আমি তেওঁৰ নাম লৈ প্ৰাৰ্থনা কৰো তাক তেওঁ পৰিপূৰ্ণ কৰিবলৈ উপস্থিত হ'ব। বাস্তৱ বিষয় হৈছে যে যীচু যে তাত উপস্থিত হ'ব ই এক ভাল কথা। কিন্তু এই বিষয়টি ঘটিবৰ বাবে কেৱল দুজন লোকেই এই কাৰ্য আৰু ভালকৈ কৰিব পাৰিব। কাৰোবাৰ আৰোগ্য বা সুস্থতাৰ বাবে গোটেই মণ্ডলীয়ে প্ৰাৰ্থনা কৰাটো ভাল কথা, কিন্তু শাস্ত্ৰপাঠৰ মতে এই কাৰ্য পৰিপূৰ্ণ কৰিবলৈ কেৱল দুজন মানুহেই প্ৰয়োজন। ইয়াৰ মূল বাক্যটো হৈছে এক মন হোৱা। ইয়াক বুজিবলৈ আৱশ্যক যে বিশ্বাস আৰু প্ৰাৰ্থনাৰ মাজত এক পাৰ্থক্য আছে। যেতিয়া আপুনি কিবা এটা বস্তুৰ বাবে এক মন হয়, ইয়াত বিশ্বাসৰো আৱশ্যক হয়। আশাই এই কাৰ্য নকৰে আপুনি যদি আশা কৰে ইয়াত যীচু আছে, আৰু এই কাৰ্য ঘটিব বুলি আশা কৰে তেন্তে আপুনি বিচৰাৰ দৰে নঘটিব। ইয়াৰ বাবে আপোনাৰ বিশ্বাসৰ আৱশ্যক হয়ঙ্গ

আমি কিবা এটা বিষয়ৰ বাবে প্ৰাৰ্থনা কৰাৰ সময়ত কোনো এজন ব্যক্তিক বিশ্বাস কৰিবলৈ আমি হেঁচা দিব নোৱাৰো। এই কাৰ্য নিজ ইচ্ছাৰ মতে হ'ব লাগিব। যেতিয়া আমি এজন অবিশ্বাসী লোকলৈ পৰিচৰ্যা কৰোতে, যদি আমি তলত দিয়া ধৰণে ইয়াক কওঁ তেন্তে ইয়াৰ কোনো প্ৰভাৱ নপৰিব ঃ তেওঁৰ সাঁচ বহা কোবৰ দ্বাৰাই আমি সুস্থ হ'লোঙ্গ" তেওঁবিলাকে যদি আত্মাৰ আৱিৰ্ভাৱক বুজি পায় আৰু দেখে তেতিয়া ইয়াক আপুনি ক'ব পাৰিব। অন্যহাতে ইয়াকে কোৱা উত্তম হ'ব ঃ "যদি আপুনি বিশ্বাস কৰে আপুনি ইয়াক পাবঙ্গ" যদি তেওঁবিলাকে যি কয় যদি তাকেই বিশ্বাস কৰিবলৈ যুগুত আছে তেন্তে তেওঁবিলাকত এটা পৰিমাণৰ বিশ্বাস সক্ৰিয় হৈ উঠিব আৰু সেয়ে ঈশ্বৰক পথ মুকলি কৰিবলৈ চলাব। তেওঁলোকক একেই দৰৱ খাই থাকিবলৈ দিয়ক যেতিয়ালৈকে চিকিৎসকে আন এটা পৰামৰ্শ নিদিয়ে।

****


**NEHEMIAH BIBLE COLLEGES, CHENNAI, INDIA**

**ECHO OF HIS CALL MINISTRIES** (ESTD.: 1969)

**Affiliated to Hindustan Bible Institute & College (HBI), Chennai**

**&**

**Recognised by the International Christian Leaders & Senior Pastors for the 50 Years! Hundreds of candidates benefitted!!**

**RESIDENTIAL COLLEGE, Velachery**
**(Medium: English & Hindi)**
Course : Diploma in Theology,
Qualification : 10th Standard
Period : One year (with field and administrative trainings)

Golden Opportunity!

Don't miss!!

God is Calling you!!!

**EVENING COLLEGE, Chepauk**
**(Medium : Tamil)**
Course : Diploma in Theology
*Monday, Tuesday & Thursday 6.30 PM to 8.30 PM*
(Evening Classes - Chepauk)
Qualification : 10th Standard
Period : One year (with Special Seminars on holidays)

**Pastor S. Sam Selva Raj, Founder-President**

**For more details & application forms please contact :**

NEHEMIAH BIBLE COLLEGES

10, Mohammed Abdullah 2nd Street, Bells Road, Opp. Cricket Stadium, Chepauk, Chennai - 600 005, India.

**Phone : (+91-44) 2852 8282, 2852 9293, 2854 7766, Cell No : (+91) 98410 71852, 95661 31858**

**E.mail : sam@echoofhiscall.org / biblecor@yahoo.co.in Websites : www.echoofhiscall.org / www.echoofhiscall.com**



# PIT TO PALACE
# গৰাহৰ পৰা ৰাজগৃহলৈ

(পালক এচ, চাম ছেলভা ৰাজৰ জীৱনৰ অভিজ্ঞতা)

"যিজনে পঢ়ে, তেওঁ বুজক" মথি ২৪ ঃ ১৫

## আপোনাৰ পিতৃ-মাতৃৰ বিষয়ে ভাবক

মোৰ পিতৃ সৈনিকৰ চাকৰি কৰি আছিল গতিকে মোক মোৰ ককাদেউতা, আইতা আৰু পৰিয়ালবৰ্গৰ লোকসকলৰ দ্বাৰাই ডাঙৰ-দীঘল কৰা হৈছিল। তেওঁলোকে মোক এজন ভাল খ্ৰীষ্টিয়ান হিচাবে ডাঙৰ-দীঘল কৰাত গুৰুত্ব দিছিল আৰু মোক আত্মিক বিষয়বোৰ শিকাইছিল। তেওঁলোকে মোত ঈশ্বৰৰ প্ৰেম সুমুৱাবলৈ উপাসনা, আৰাধনা, দেওবৰীয়া স্কুল আৰু আন আন আত্মিক সভাবোৰলৈ নিছিল।

আমাৰ পৰিয়ালত ঈশ্বৰৰ প্ৰেমলৈ অহা প্ৰথম ব্যক্তিজন হৈছে মোৰ ককাদেউতা, তেওঁৰ প্ৰকৃত নাম আছিল শ্ৰীমান এম. নাৰায়ণন (এজন দেৱতাৰ নাম)। যেতিয়া তেওঁ খ্ৰীষ্টলৈ আহিল তেওঁৰ নাম এম. নাথানিয়েললৈ পৰিৱৰ্তন হ'ল। তেওঁৰ বহুত মাটি আৰু আন আন সম্পত্তি আছিল। সেয়ে তেওঁ এজন ধনীলোক আছিল। মই যেতিয়া সৰু আছিলো, তেওঁ মোক স্কুললৈ, বিশেষ ক'চিং ক্লাছ, গীৰ্জালৈ আৰু দেওবৰীয়া স্কুললৈ নিছিল আৰু ঘৰলৈ ঘূৰাই আনিছিল। সেই কালত উপযুক্ত পৰিবহনৰ সুবিধা নাছিল। যেতিয়া মই খোজকাঢ়ি ভাগৰি গৈছিলো তেওঁ মোক নিজ কান্ধত তুলি আনিছিল। পথত তেওঁ লোকবিলাকক কৈছিল, "মই শিশু যীচুক কঢ়িয়াই আনি আছোঁঙ্গ

তেওঁ মোক বহুত প্ৰেম কৰিছিল আৰু খেতিৰ পথাৰত ধান চপোৱা, গৰু আৰু গৰুগাড়ী চোৰাচিতা কৰা, খেতিৰ নিমিত্তে সামগ্ৰী কিনিবলৈ আৰু খেতিৰ পৰা পোৱা শস্যক বিক্ৰী কৰিবলৈ, সাতুৰিবলৈ ইত্যাদিৰ প্ৰশিক্ষণ দিছিল।

এদিনাখন তেওঁ মোক যেতিয়া তেওঁৰ কান্ধত তুলি লৈ গৈ আছিল, তেওঁ বহুত ভাগৰি গৈছিল। তাতে তেওঁ মোক নমাই এটা ডাঙৰ শিলৰ ওপৰত বহি লৈছিল আৰু মোকো তেওঁৰ কোচত বহুৱাই সুধিছিল "বোপা তুমি যেতিয়া ডাঙৰ হ'বা তেতিয়া মোক কি দিবা?"

মই কি উত্তৰ দিম বুজি পোৱা নাছিলো। গতিকে মই তেওঁক মৰমেৰে সাৱটি ধৰিলো আৰু তেওঁৰ মুখলৈ গভীৰভাৱে চাই আছিলো। তাৰ পাছত আমি আমাৰ যাত্ৰা আৰম্ভ কৰিলো।

মোৰ ককাদেউতাই কৰা প্ৰশ্নটিয়ে মোৰ হৃদয়ত এটি ডাঙৰ প্ৰভাৱ পেলাইছিল। মই সদায় তেওঁক কিবাএটা দিবলৈ ইচ্ছা কৰি আছিলো। সেই সময়ত আনকি গীৰ্জালৈ যোৱা লোকবিলাকেও প্ৰভু যীচুখ্ৰীষ্টৰ যোগেদি পোৱা পৰিত্ৰাণৰ বিষয়ে উপযুক্ত জ্ঞান পোৱা নাছিল। যদিও মোৰ ককাদেউতা নিয়মীয়াকৈ গীৰ্জালৈ গৈ আছিল আৰু স্থানীয় মণ্ডলীক বহুত সহায় কৰি আছিল তথাপিও তেওঁ মৃত্যুৰ পাছত ক'ত যাব তাক জনা নাছিল।

যেতিয়া মই ডাঙৰ হৈ যুৱক হ'লো আৰু আমাৰ প্ৰভু যীচু খ্ৰীষ্টৰ বিষয়ে জ্ঞান পালো, প্ৰভুৱে মোক মোৰ ককাদেউতা আৰু আইতাৰ এটা বিষয়ে বোজা জাপি দিলে। এদিন যেতিয়া মই তেওঁবিলাকৰ লগত বহি আছিলো, মই এনেয়ে তেওঁক সুধি পালো আমি স্বৰ্গলৈ যাবলৈ হ'লে আমি কি কৰা উচিত। তেওঁ ক'লে, "কেৱল আমাৰ পালকজনহে যাবঙ্গ" তেওঁৰ এই বাক্যই মোৰ হৃদয় স্পৰ্শ কৰিছিল। মই তেতিয়া পবিত্ৰ আত্মাৰ দ্বাৰাই পৰিচালিত হ'লো আৰু সহজ-সৰল খ্ৰীষ্টিয়ান লোকসকলৰ মাজত থকা অজ্ঞানতাক গুচাবলৈ কিবা এটা কৰিবলৈ মোৰ মনত উৎসাহিত হ'লো।

মই যেতিয়া এজন যুৱক হ'লো, তেতিয়া মই স্বৰ্গীয় সহায়ৰ দ্বাৰাই ভাৰতৰ দক্ষিণ প্ৰান্তৰ মূৰত থকা তামিলনাডুৰ কন্যাকুমাৰী জিলাত মুট্টাম নামৰ ঠাইত সাগৰৰ পাৰৰ এটা গৃহত "এটা বিশেষ আত্মিক সভা"ৰ আয়োজন কৰিছিলো। সেইটো মোৰ জীৱনত আৰম্ভ কৰা প্ৰথম পৰিচৰ্যা আছিল যাক তেতিয়াৰ দিনত গুড নিউজ প্ৰেয়াৰ বেণ্ড বুলি কোৱা হৈছিল। মোৰ বয়স তেতিয়া ১৮ বছৰ আছিল আৰু ময়েই তাত মূখ্য বাৰ্তাবাহক আছিলো। মই মোৰ সকলো বন্ধু আৰু সম্বন্ধীয়সকলক নিমন্ত্ৰণ কৰিলো আৰু আহাৰৰ টোপোলা লগত লৈ গৰুগাড়ীৰে সেই ঠাইলৈ যাত্ৰা কৰিছিলো। সেই এদিনীয়া সভাখনত মোৰ ককাদেউতা, আইতাও অংশগ্ৰহণ কৰিছিল। সেই সভাখন আৰম্ভ হৈছিল আৰু মোৰ ককাদেউতা আৰু আইতাই মোলৈ চাই আচৰিত হৈ কৈছিল, "আমাৰ ল'ৰাটোৱে আজি কি কৰি আছে।" তেওঁলোক স্তম্ভিত হৈছিলঙ্গঙ্গ

কিন্তু মই বহুত আত্মবিশ্বাসী আছিলো আৰু মোৰ স্থানীয় মণ্ডলীত দেওবৰীয়া স্কুলত শিক্ষকে মোক শিকোৱা গীতবোৰ গাইছিলো। যেতিয়া মোৰ বাৰ্তা দিয়াৰ সময় আহিল মই লুক শুভবাৰ্তাৰ ১১ঃ১-১০ পদত উল্লেখ কৰা এটা বান্ধি ৰখা গাধক মুকলি কৰি অনাৰ বিষয়ে শিক্ষা দিছিলো। বাৰ্তা শেষ কৰাৰ পাছত মই এটি গীত গাইছিলো আৰু গীতটোৱে এইদৰে কয়, "অ' মোৰ পুত্ৰ অ' মোৰ কন্যা, তুমি মোলৈ তোমাৰ হৃদয়খনক দিবানে?" এটি পুৰণি গীত, মোৰ শিক্ষক ৰেভাঃ এচ. দেৱাদাসনে ৰচিছিলে। যেতিয়া গোটেই মণ্ডলীয়ে এই গীত গাই আছিল তেতিয়া মোৰ ককাদেউতা আৰু আইতাই স্কুলত সৰু ল'ৰা-ছোৱালীবিলাকে কন্দাৰ দৰে কান্দি আছিল আৰু আগলৈ আহি মোৰ আগত থিয় হৈ মোক ক'লে যে তেওঁলোকে প্ৰভু যীচু খ্ৰীষ্টৰ তেজেৰে পৰিত্ৰাণ পাব বিচাৰিছে আৰু পাপ স্বীকাৰ কৰিলে। তেওঁলোকে সেই দিনা প্ৰথমবাৰৰ বাবে যীচু খ্ৰীষ্টক নিজৰ ত্ৰাণকৰ্তাৰূপে গ্ৰহণ কৰিলে। এটি নতুন অনন্তকলীয়া আশা লৈ সেইদিনা সন্ধ্যাবেলা ঘৰলৈ আমি ঘূৰি আহিলো। কিছুদিনৰ পাছত পুনৰুত্থানৰ আশা লগত লৈ তেওঁলোক দুয়ো স্বৰ্গীয় হ'ল।

মোৰ পৰিচৰ্যাৰ তেওঁলোক প্ৰথম ফল আছিল। যদিও এতিয়া ৫০ তকৈও অধিক কাল অতিবাহিত হৈ গ'ল সেই স্মৃতিবোৰ এতিয়াও মোৰ মনত সতেজ হৈ আছে। তাৰ পাছৰ পৰাই ঈশ্বৰে মোক ভাৰত তথা ওচৰ চুবুৰীয়া দেশসমূহৰ চুকে-কোণে আনকি পৃথিৱীৰ শেষৰ সীমালৈকে মোক নিলে। আৰু বিভিন্ন কলা সংস্কৃতি আৰু ভাষাৰ লোকসকললৈ পৰিত্ৰাণ, স্বৰ্গীয় শান্তি আৰু অনন্ত জীৱনৰ বাৰ্তা প্ৰচাৰ কৰাত সমৰ্থ কৰিলে।

প্ৰিয় ভাই আৰু ভনীসকল, আপুনি আপোনাৰ পৰিয়াল, জন্মস্থান, প্ৰিয়সকলৰ পৰিত্ৰাণ আৰু অনন্ত জীৱনৰ বিষয়ে চিন্তা কৰিছেনে? আজিকালিৰ আধুনিক প্ৰচাৰকসকলে পৃথিৱীৰ বিভিন্ন ঠাইলৈ গৈ শিক্ষা দিয়ে কিন্তু নিজৰ পৰিয়ালবৰ্গ আৰু সম্বন্ধীয়সকলক অৱজ্ঞা কৰে। আমি তেনে হ'ব নালাগে।

যদি আপুনি আপোনাৰ পৰিয়ালবৰ্গ আৰু সম্বন্ধীয়ক প্ৰভু যীচু খ্ৰীষ্টৰ প্ৰেমৰ বিষয়ে ক'ব তেন্তে আপোনাৰ বাবে এটি ডাঙৰ পুৰস্কাৰ অপেক্ষা কৰি আছে। নতুন জন্ম, পবিত্ৰ জীৱন, ঈশ্বৰৰ পৰিচৰ্যা, মহা বিচাৰ আৰু অনন্ত জীৱন এই সকলোবোৰ সত্য। ঈশ্বৰে আপোনাক আশীৰ্বাদ কৰক।

****

RNI NO. TNASS/2000/2335, Postal Regn. No. TN/CH(C)/204/18-20 WPP NO. TN/PMG(CCR)/WPP-262/18-20

# তেওঁৰ আহবানৰ প্ৰতিধ্বনি

**১৬ টা ভাষাত মাহেকীয়া আলোচনী, বাইবেল কলেজ, ডাকযোগে পাঠ্যক্ৰম, মণ্ডলী স্থাপন কাৰ্য, গ্ৰাম্য ছপাশাল, প্ৰাৰ্থনা সভা, শুভবাৰ্তামূলক সভা, সামাজিক সেৱা ইত্যাদি**

**বাৰ্ষিক বৰঙণি ১০০/- টকা**

**জীৱিতৱস্থাত বৰঙণি ২০০০/- টকা**

তেওঁৰ আহবানৰ প্ৰতিধ্বনিৰ পৰিচৰ্যাৰ বহুবিদীয়া কাৰ্যসমূহক আপোনাৰ দৰে ঈশ্বৰৰ সন্তানসকলে দিয়া দান আৰু বৰঙণি দ্বাৰাই চলোৱা হয়। যদি ঈশ্বৰে আপোনাক চলাই, আপুনিও তেওঁৰ আহবানৰ প্ৰতিধ্বনিলৈ আৰ্থিক সহায় পঠাব পাৰে। প্ৰভুৰ শুভবাৰ্তা নোপোৱা ঠাইবিলাকত শুভবাৰ্তা পঠাবলৈ আমাক আৰ্থিক সহায়ৰ প্ৰয়োজন আছে।

যদি আপুনি আমাৰ তেওঁৰ আহবানৰ প্ৰতিধ্বনিৰ আলোচনীখন পাবলৈ ইচ্ছা কৰে, তেন্তে আমালৈ পত্ৰ লিখক। যদি আপুনি আপোনাৰ ডাকঘৰৰ ঠিকনা বা ই-মেইল সলনি কৰিবলগীয়া হয়, অনুগ্ৰহ কৰি আমাক জনাওক।

আমাৰ ৱেবচাইটত ১৬ টা ভাষাত তেওঁৰ আহবানৰ প্ৰতিধ্বনি পোৱা যাব। চাইটত চাই বা ডাউনলোড কৰি আপুনি পঢ়িব পাৰে আৰু আশীৰ্বাদো পাওক।

আপোনাৰ পত্ৰ, প্ৰাৰ্থনা অনুৰোধসমূহ আৰু আপোনাৰ আৰ্থিক সহায় (ডি.ডি. চেকৰ দ্বাৰা বা এম.অ' ইত্যাদি) তেওঁৰ আহবানৰ প্ৰতিধ্বনিৰ বাবে তলত দিয়া ঠিকনালৈ পঠাওক।

অনুগ্ৰহ কৰি আপোনাৰ লেণ্ড ফোন/চেল ফোন নং আৰু ই-মেইল ঠিকনা পঠাওক।

**ECHO OF HIS CALL**
**10, MOHAMMED ABDULLAH 2ND STREET,**
**CHEPAUK, CHENNAI - 600 005, INDIA.**
**Phone : (+91-44) 2852 8282, 2852 9293, 2854 7766**
**Cell : (+91) 98410 71852, 95661 31858**
**E-mails : sam@echoofhiscall.org / biblecor@yahoo.co.in**
**Websites : www. echoofhiscall.org / www.echoofhiscall.com**

**আপুনি আপোনাৰ বৰঙণিসমূহ অনলাইনৰ যোগেদিও পঠিয়াব পাৰে**

## অনুগ্ৰহ কৰি আমাৰ মূখ্য কাৰ্য্যালয়ৰ পৰিচৰ্য্যাবিলাকৰ বাবে প্ৰাৰ্থনা কৰক

১। প্ৰাৰ্থনা সেৱা ঃ ২৪ ঘণ্টা
২। **বিব্লিকৰ** - বাইবেল সম্বন্ধীয় যোগাযোগ প্ৰশিক্ষণ ঃ ইংৰাজী, হিন্দী আৰু তামিল।
৩। **তেওঁৰ আহবানৰ প্ৰতিধ্বনি** আলোচনী ঃ ইংৰাজী, তামিল, মালায়ালম, তেলেগু, হিন্দী, কানাড়া, মাৰাঠী, গুজৰাটী, বেঙ্গলী, উৰিয়া, নেপালী, অসমীয়া, পঞ্জাৱী; উৰ্দু, সিংহালী আৰু আফ্ৰিকান।
৪। নহিমিয়া বাইবেল মহাবিদ্যালয় (দুটা শাখা)।
৫। ঈশ্বৰ বিষয়ক যোগাযোগৰ পাঠ্যক্ৰম ঃ ইংৰাজী আৰু তামিল।
৬। প্ৰধান আজ্ঞাৰ অংশীদাৰসকল
৭। প্ৰশিক্ষণ কাৰ্য্যসূচী।
৮। সভা।
৯। পত্ৰিকা পৰিচৰ্য্যা - স্থিৰভাৱে অনুসৰণ কৰা।
১০। শুভবাৰ্ত্তা মুদ্ৰণ - ছপাশালা প্ৰকাশ কৰা।
১১। চেইণ্ট পৌল মেট্ৰিকুলেশ্বন স্কুল - গ্ৰাম্য উচ্চ মাধ্যমিক বিদ্যালয়।
১২। দেওবৰীয়া স্কুল ঃ পুৱা ৮.৩০, বিয়লি ৪.০০ দেওবাৰ
১৩। তামিল উপাসনা ঃ পুৱা ৫.৩০,৭.০০ আৰু ১০.০০ দেওবাৰ
১৪। মালায়ালম প্ৰাৰ্থনা সভা ঃ আবেলি ২.০০ দেওবাৰ
১৫। তেলেগু উপাসনা ঃ আবেলি ৪.০০ দেওবাৰ
১৬। হিন্দী উপাসনা ঃ আবেলি ৫.০০ দেওবাৰ
১৭। ইংৰাজী আৰু তামিল সেৱা ঃ সন্ধ্যা ৬.০০ বজাত দেওবাৰ
১৮। পালকসকলৰ পৰামৰ্শ ঃ আবেলি ৪.০০ বজাত দেওবাৰ
১৯। মহিলাসকলৰ প্ৰাৰ্থনা সভা ঃ সন্ধ্যা ৫.৩০ বজাত বুধবাৰ
২০। মধ্য সপ্তাহৰ বাইবেল অধ্যয়ন ঃ সন্ধ্যা ৬.৩০ বজাত বুধবাৰ
২১। পুৰুষসকলৰ বিশেষ উপাসনা ঃ গধূলি ৭.০০ বজাত শুক্ৰবাৰ
২২। কৰ্ম্মকৰ্ত্তা সকলৰ সভা ঃ সন্ধ্যা ৬.০০ বজাত শনিবাৰ
২৩। গৃহ সভা ঃ সন্ধ্যা ৬.৩০ বজাত সোমবাৰ আৰু মঙ্গলবাৰ
২৪। বিশেষ প্ৰভু ভোজ ঃ পুৱা ৫.৩০ প্ৰত্যেক মাহৰ প্ৰথম দিনত
২৫। পালকসকলৰ নিৰীক্ষণ সভা ঃ সন্ধ্যা ৫.৩০ প্ৰত্যেক মাহৰ প্ৰথম শনিবাৰ
২৬। অভিভাৱক সকলৰ প্ৰাৰ্থনা সভা ঃ আবেলি ৪-০০ বজাত প্ৰথম দেওবাৰ
২৭। নিশাৰ প্ৰাৰ্থনা ঃ গধুলি ৯.৩০ দ্বিতীয় শুক্ৰবাৰ
২৮। উপবাস প্ৰাৰ্থনা ঃ পুৱা ৯.৩০ প্ৰথম শনিবাৰ
২৯। প্ৰভু ভোজ ঃ দ্বিতীয় দেওবাৰৰ উপাসনাত
৩০। পুৱাৰ উপাসনা ঃ পুৱা ৫.৩০ বজাত দৈনিক
৩১। কৰ্মচাৰী সকলৰ উপাসনা ঃ পুৱা ৯.০০ টা দৈনিক
৩২। কাৰ্য্যালয় ঃ পুৱা ৯.০০ টাৰ পৰা ৰাতি ৯.০০লৈ (দেওবাৰৰ বাদে)।

**RNI NO. TNASS/2000/2335**
**Postal Regn. No. TN/CH/(C)/204/18-20**
**WPP NO. TN/PMG(CCR) / WPP- 262/18-20**
**Date of Publication: Second week of every month**
**Date of Posting : 11th & 12th of every month**
**Posted at "Egmore RMS / 1 Patrika Channel"**
**on 13th JANUARY 2020**
**If un-delivered please return to:**
**ECHO OF HIS CALL (ASSAMESE)**
**P.O. Box No. 2957,**
**Chepauk, Chennai - 600 005, INDIA.**
**Phone: (+ 91- 44) 2852 8282, 2852 9293, 2854 7766**

***JESUS LOVES YOU!***

**To**

*GOD BLESS YOU!*

Owned and published by **S. Sam Selva Raj** from No.10, Mohammed Abdullah Street, Chepauk, Chennai-600 005 and printed by him at **Echo of His Call Printers** No. 10, Mohammed Abdullah Street, Chepauk, Chennai-600 005. Editor: **S. Sam Selva Raj.**